# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 21-APR-2026
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
## Headlines
-------------------

১। গুৱাহাটীৰ বানৰ সমস্যা সমাধানৰ বাবে কাৰ্য পৰিকল্পনা যুগুত কৰা হৈছে বুলি মুখ্য সচিব ড০ ৰবি কোটাৰ প্ৰকাশ।

২। কংগ্ৰেছ নেতা পৱন খেৰাৰ অগ্ৰিম জামিন আবেদনৰ ৰায় সংৰক্ষিত।

৩। পশ্চিমবংগত পৰহিলৈ হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ প্ৰচাৰৰ আজি সাৰমণি।

৪। ৰাজ্যৰ বিভিন্ন প্ৰান্তত বীৰাংগনা সতী সাধনীৰ ৫০২ সংখ্যক স্মৃতি দিৱস পালন। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদত ছানৰাইজাৰ্ছ হায়দৰাবাদ, দেলহি কেপিটেলছৰ মুখামুখি।

ooooo

গুৱাহাটীৰ বানৰ সমস্যা সমাধানৰ বাবে ৰাজ্য চৰকাৰৰ কোনটো বিভাগে কি কাম কৰিব সেই সন্দৰ্ভত কাৰ্য পৰিকল্পনা যুগুত কৰা হৈছে বুলি মুখ্য সচিব ড০ ৰবি কোটাই আজি প্ৰকাশ কৰিছে। খানাপাৰাৰ প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আয়োজিত ৰাষ্ট্ৰীয় অসামৰিক সেৱা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ পাছত মুখ্য সচিবগৰাকীয়ে সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰিছে। ড০ কোটাই কয়, যে গুৱাহাটীৰ বানৰ সমস্যা সন্দৰ্ভত ইতিমধ্যে গুৱাহাটী পৌৰ নিগম, গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণ, লোকনিৰ্মাণ বিভাগ, জলসম্পদ বিভাগ, বতৰ বিজ্ঞান বিভাগ, দুৰ্যোগ ব্যৱস্থাপনা বিভাগ, আৰক্ষী আদিৰ সৈতে আলোচনা কৰা হৈছে। এই বৈঠকত ভৱিষ্যতে যাতে গুৱাহাটীত বানৰ সমস্যা নহয় তাৰ বাবে কোনটো বিভাগে কি কাম কৰিব সেই সন্দৰ্ভত কাৰ্য পৰিকল্পনা যুগুত কৰা হৈছে। মুখ্য সচিবগৰাকীয়ে নলাত পেলোৱা প্লাষ্টিকসমূহ পানী অহাৰ আগতে চাফা কৰা আৰু বৰ্ণিহাট, যোৱাবাটৰ পৰা পানী অহা বিষয়তো গুৰুত্ব আৰোপ কৰে। ড০ কোটাই গুৱাহাটীৰ বান সমস্যা সন্দৰ্ভত সাংবাদিকৰ আগত এইদৰে কয়–

**বাইট (ৰবি কোটা)**

আনহাতে গুৱাহাটী মহানগৰীত শেহতীয়াকৈ ধাৰাসাৰ বৰষুণৰ ফলত অবৰ্ণনীয় পৰিস্থিতি সৃষ্টি হোৱাৰ পাছত আজি গুৱাহাটীৰ বান সমস্যা সমাধানৰ দাবীৰে সদৌ গুৱাহাটী ছাত্ৰ সন্থাই প্ৰতিবাদ সাব্যস্ত কৰে। উজান বজাৰত প্ৰতিবাদকাৰীসকলে হাতে হাতে প্লেকাৰ্ড লৈ বিভিন্ন শ্ল'গান দি গুৱাহাটীৰ বান সমস্যা শীঘ্ৰে সমাধান কৰিবলৈ চৰকাৰক আহ্বান জনায়। গুৱাহাটীৰ বান সমস্যা সমাধানত ৰাজ্য চৰকাৰ ব্যৰ্থ হোৱা বুলি আছুৰ নেতৃত্বই অভিযোগ কৰে।

00000

গুৱাহাটী উচ্চ ন্যায়ালয়ে জ্যেষ্ঠ কংগ্ৰেছ নেতা পৱন খেৰাই দাখিল কৰা অগ্ৰিম জামিন আবেদনৰ ৰায় সংৰক্ষিত ৰাখিছে। ন্যায়াধীশ পাৰ্থিৱজ্যোতি শইকীয়াৰ বিচাৰপীঠে সকলো পক্ষৰ যুক্তি শুনাৰ পাছত কংগ্ৰেছ নেতাজনৰ জামিন আবেদনৰ ৰায় সংৰক্ষিত ৰাখে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ পত্নীৰ বিৰুদ্ধে সংবাদমেলত কেইবাটাও অভিযোগ উত্থাপন কৰাৰ পাছত কংগ্ৰেছৰ জ্যেষ্ঠ নেতাগৰাকীৰ বিৰুদ্ধে অসম আৰক্ষীৰ অপৰাধ শাখাত গোচৰ ৰুজু কৰা হৈছিল। আজি ন্যায়ালয়ত কংগ্ৰেছ নেতাজনৰ হৈ জ্যেষ্ঠ অধিবক্তা অভিষেক মনু সিংভী আৰু কমলনয়ন চৌধুৰীয়ে যুক্তি প্ৰদৰ্শন কৰে। অসম চৰকাৰৰ হৈ মহাধিবক্তা দেৱজিৎ শইকীয়া যুক্তি প্ৰদৰ্শন কৰি পৱন খেৰাৰ জামিনৰ তীব্ৰ বিৰোধিতা কৰে।

00000

পশ্চিমবংগত পৰহিলৈ হ'বলগীয়া প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ প্ৰচাৰ অভিযানৰ আজি অন্ত পৰে। ভোটগ্ৰহণলৈ মাজত মাত্ৰ এটা দিন বাকী থকা অৱস্থাত বিভিন্ন ৰাজনৈতিক দলৰ জ্যেষ্ঠ নেতাসকলে ৰাজ্যখনৰ ভিন ভিন প্ৰান্তত নিৰ্বাচনী সমাৱেশ তথা ৰোড শ্ব'ত অংশ লৈ দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়।

বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি শিলিগুৰি, পশ্চিম বৰ্ধমান, পশ্চিম মেদিনীপুৰ আৰু পূব মেদিনীপুৰ জিলাত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। ইফালে তৃণমূল কংগেছৰ নেত্ৰী আৰু পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে আজি পূব মেদিনীপুৰ, বাৰাকপোৰ, ছৌবিবশ পৰগনা জিলাৰ জগতদল আৰু কলকাতাৰ জোৰাসাকোত দলৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত ভাষণ দিয়ে। আজিৰ সভাত আন্যান্য বিভিন্ন দলৰ ৰাজনৈতিক নেতাসকলেও অংশগ্ৰহণ কৰে। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ভগৱানপুৰ সমষ্টিত নিৰ্বাচনী সমাৰোহত অংশ লৈ দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। উল্লেখযোগ্য যে নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত ৩ কোটি ৬০ লাখ ৭৭ হাজাৰ ১৭১ গৰাকী ভোটদাতাই তেওঁলোকৰ ভোটৰ অধিকাৰ সাব্যস্ত কৰিব পাৰিব।

00000

জম্মু-কাশ্মীৰৰ লাডাখত কৰ্তব্যৰত অৱস্থাত যোৱা শনিবাৰে তুষাৰবৃত হৈ মৃত্যু হোৱা সীমান্ত সুৰক্ষা বাহিনীৰ জোৱান ৰমেন বৰুৱাৰ নশ্বৰ দেহ আজি যোৰহাট জিলাৰ ঐতিহাসিক ১ নম্বৰ চিন্তামণি গড় গাওঁৰ নিজ গৃহলৈ অনা হয়। ইয়াৰ পাছতে তেওঁক বাহিনীটোৰ ফালৰ পৰা সামৰিক অভিবাদন জনোৱা হয়। ২০১২ চনত বি এছ এফত যোগদান কৰিছিল। ইয়াৰ উপৰিও অঞ্চলটোৰ ভালেমান বিশিষ্ট ব্যক্তি তথা দল সংগঠনে তেওঁৰ প্ৰতি শেষ শ্ৰদ্ধা জ্ঞাপন কৰাৰ লগতে বীৰ ছহিদগৰাকীৰ স্মৃতি যুগমীয়া কৰিবলৈ জিলা প্ৰশাসনক আহ্বান জনাইছে।

00000

বৰপেটা সত্ৰত দোমাহীৰ পৰা সত্ৰীয়া পৰম্পৰাৰে পালন কৰা ব'হাগ বিহু কাৰ্যসূচী আজি সামৰণি পৰে। গৰু বিহু তথা চ'ত বহাগৰ সংক্ৰান্তিৰ পৰা প্ৰতিবছৰে পালন কৰি অহা ব'হাগৰ দোমাহী কাৰ্যসূচীৰ আজি অন্তিম দিনা পৰম্পৰাগতভাৱে সত্ৰখনৰ চৌহদৰ বাহিৰৰ দালান তথা কৰাপাতৰ তলত ঠিয় নাম পৰিবেশন কৰা হয়। এই কাৰ্যসূচীত সত্ৰখনলৈ অহা ৰাইজে প্ৰসাদ হিচাপে আগবঢ়োৱা গুৱামুৰি, চেনী আৰু গুৰ কাইলৈ সত্ৰখনত ২২ খন হাতীৰ ভকতৰ মাজত বিতৰণ কৰা হয়।

00000

বীৰাংগনা সতী সাধনীৰ ৫০২ সংখ্যক স্মৃতি দিৱস আজি ৰাজ্যজুৰি বিভিন্ন কাৰ্যসূচীৰে পালন কৰা হৈছে। সাহস, ধৈৰ্য, বীৰত্ব আৰু দেশ তথা জাতিৰ বাবে চৰম বলিদান দিয়া বীৰাংগনা সতী সাধনী চুতীয়া ৰাজ্যৰ শেষৰ গৰাকী ৰাণী আছিল। সতী সাধনীৰ বীৰত্ব, ত্যাগ আৰু স্বাভিমানক স্মৰণ কৰি গোলাঘাট জিলাৰ সৰুপথাৰ, বোকাখাত আৰু মেৰাপানীত দিনজোৰা কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ধনশিৰি মহকুমা চুতীয়া ছাত্ৰ সন্থাৰ উদ্যোগত সৰু পথাৰত স্থানীয় বিধায়ক বিশ্বজিৎ ফুকনে পতাকা উত্তোলন আৰু প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰে। অনুষ্ঠানত আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন লনবল খেলুৱৈ নয়নমণি শইকীয়ালৈ ধনশিৰি ৰত্ন বঁটা আৰু সমাজ সেৱক নীলকান্ত চলিহাক বীৰপাল বঁটা প্ৰদান কৰা হয়। কাৰ্যসূচীৰ অংশ হিচাপে বন্তি প্ৰজ্বলন, গছপুলি ৰোপণ, শোভাযাত্ৰা, মুকলি সভা আৰু সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। মেৰাপানীৰ তৰানিতো চুতীয়া জাতি ছাত্ৰ সন্থাই সতী সাধনী ৰংগমঞ্চত এই দিৱস পালন কৰিছে।

মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই সতী সাধনী দিৱস উপলক্ষে মহিয়সী নাৰীগৰাকীৰ গভীৰ দেশপ্ৰেম আৰু আত্মবলিদানক শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰী ডº শৰ্মাই সতী সাধনীৰ অদম্য আত্মত্যাগ আৰু আদৰ্শই সমাজক আজিও পথ প্ৰদৰ্শন কৰি আহিছে বুলি উল্লেখ কৰে।

ooooo

আজি অসামৰিক সেৱা দিৱস। দেশৰ প্ৰশাসনিক কাৰ্যক সুচাৰুৰূপে পৰিচালনা কৰা চৰকাৰী বিষয়াসকলৰ কৰ্মৰাজিক সন্মান জনাবলৈ প্ৰতিবছৰে ২১ এপ্ৰিলত অসামৰিক সেৱা দিৱস উদযাপন কৰি অহা হৈছে। স্বাধীন ভাৰতৰ প্ৰথমগৰাকী গৃহমন্ত্ৰী চৰ্দাৰ বল্লভ ভাই পেটেলে ১৯৪৭ চনৰ আজিৰ দিনটোতে দিল্লীৰ মেটকাফ হাউচত প্ৰশাসনিক বিষয়াসকলৰ সৈতে মত বিনিময় কৰিছিল। সেই দিনটোক স্মৰণ কৰিয়েই ২০০৬ চনৰ পৰা প্ৰতি বছৰে এই দিৱস উদযাপন কৰি অহা হৈছে। এই বছৰৰ এই দিৱসৰ মূল বিষয়বস্তু হৈছে- **বিকশিত ভাৰত ঃ নাগৰিক কেন্দ্ৰীক প্ৰশাসন আৰু প্ৰান্তীয় অঞ্চলত বাস কৰা লোকৰ উন্নয়ন সাধন**।

অসামৰিক সেৱা দিৱস উপলক্ষে আজি গুৱাহাটীৰ খানাপাৰাৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ৰাষ্ট্ৰীয় অসামৰিক সেৱা দিৱস উপলক্ষে অসামৰিক সেৱাৰ সৈতে জড়িত ব্যক্তিসকললৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে কয়, যে অসামৰিক সেৱাৰ সৈতে জড়িত ব্যক্তিসকলৰ দায়বদ্ধতা আৰু কৰ্তব্যনিষ্ঠাই প্ৰশাসন ব্যৱস্থাক জনসাধাৰণৰ কাষ চপাই নিয়াৰ লগতে ৰাজহুৱা প্ৰতিষ্ঠানসমূহ পুনৰুজ্জীৱিত কৰি তোলে। নাগৰিক কেন্দ্ৰিক, ভৱিষ্যমুখী আৰু উদ্ভাৱনমূলক নীতি প্ৰণয়নেৰে অসামৰিক সেৱাৰ বিষয়াসকলে লক্ষ লক্ষ লোকৰ জীৱনৰ মান উন্নত কৰিব পাৰে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই দিৱস উপলক্ষে দিয়া বাৰ্তাত কয়, যে সু-প্ৰশাসন আৰু ৰাষ্ট্ৰ গঢ়াৰ দিশত প্ৰতিশ্ৰুতিবদ্ধতাক শক্তিশালী কৰাৰ বাবে এই দিৱসে সকলোকে উৎসাহিত কৰে।

ooooo

গুৱাহাটী মহানগৰ আৰক্ষীয়ে আজি এটা অসামাজিক কামত জড়িত চক্ৰক গ্ৰেপ্তাৰ কৰিছে। এগৰাকী ভুক্তভোগী যুৱতীয়ে দিয়া তথ্যৰ ভিত্তিত আৰক্ষীয়ে বিশেষ অভিযান চলাই এই সফলতা লাভ কৰে। আৰক্ষীয়ে অভিযানকালত গ্ৰেপ্তাৰ কৰা লোককেইজন বৰপেটাৰ অভিৰঞ্জন দাস আৰু তেওঁৰ পত্নী মীনাক্ষী ৰায় আৰু ডিব্ৰুগড়ৰ

প্ৰিয়ংকা ৰায় বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে তেওঁলোকৰ কবলৰ পৰা ৩ লাখ ১০ হাজাৰ নগদ টকা, ৫ টা মোবাইল ফোন, লেপটপ আৰু ২০ খন চীম কাৰ্ড জব্দ কৰে। আৰক্ষীয়ে অভিযুক্তসকলৰ বিৰুদ্ধে চাইবাৰ থানাত এটা গোচৰ ৰুজু কৰিছে। এই সন্দৰ্ভত আজি উলুবাৰীস্থিত আৰক্ষীৰ মুখ্য কাৰ্যালয়ত আয়োজিত এখন সংবাদমেলত উপ আৰক্ষী আয়ুক্ত সম্ভাৱী মিশ্ৰই এইদৰে কয়।-

**ৰাইট (সম্ভাৱী মিশ)**

00000

চিৰাং জিলাৰ ৰুণীখাটাত সংঘটিত হিংসাত্মক ঘটনা সন্দৰ্ভত জিলা দণ্ডাধীশ পৰ্যায়ৰ তদন্ত ঘোষণা কৰাৰ পাছত পৰহিলৈ প্ৰশাসনে সাক্ষ্য আৰু জবানবন্দী দিয়াৰ বাবে দিন নিৰ্ধাৰণ কৰিছে। চিৰাং জিলাৰ অতিৰিক্ত জিলা দণ্ডাধীশ সংগীতা সৰকাৰে জাৰি কৰা নিৰ্দেশ অনুসৰি ঘটনা সন্দৰ্ভত সাক্ষ্য বা জবানবন্দী দিব বিচৰা যিকোনো ব্যক্তি অথবা গোট, অনুষ্ঠান আদিয়ে পৰহিলৈ তেওঁৰ ওচৰত জবানবন্দী দিব পাৰিব। ইচ্ছুক সকলে সেইদিনা দিনৰ ১১ বজাৰ পৰা বিয়লি ৩ বজাৰ ভিতৰত ৰুণীখাটা বন সংমণ্ডলৰ কাৰ্যালয়ৰ বিপৰীতে থকা বন পৰিদৰ্শন বাংলোত অতিৰিক্ত জিলা দণ্ডাধীশগৰাকীৰ ওচৰত সাক্ষ্য প্ৰদান কৰিব পাৰিব। যোৱা ১৭ এপ্ৰিলত সংঘটিত অপ্ৰীতিকৰ ঘটনা সন্দৰ্ভত এই পৰ্যন্ত ২২ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। শুকুৰবাৰৰ পৰা চিৰাং আৰু কোকৰাঝাৰ জিলাৰ ইণ্টাৰনেট সেৱা কৰ্তন কৰি ৰখা হৈছিল যদিও দুয়োখন জিলাতে কালি পুনৰ ইণ্টাৰনেট সেৱা আৰম্ভ কৰা হৈছে।

00000

শিক্ষয়িত্ৰী অৰ্ণমাই বৰাৰ হত্যাকাণ্ডৰ মূল অভিযুক্ত মইনুল হকক উচ্চতম ন্যায়ালয়ে দোষমুক্ত ঘোষণা কৰিছে। ঘটনাৰ সৈতে জড়িত থকাৰ পৰ্যাপ্ত প্ৰমাণ দাখিল কৰাত আৰক্ষী ব্যৰ্থ হোৱাৰ বাবে ন্যায়ালয়ে মূল অভিযুক্তজনক দোষমুক্ত ঘোষণা কৰে। উল্লেখযোগ্য যে ২০১৭ চনৰ ৩১ মে'ত ৫৮ বছৰীয়া প্ৰধান শিক্ষয়িত্ৰী অৰ্ণমাই বৰাক হোজাইত হত্যা কৰা হৈছিল।

00000

ধেমাজী জিলাৰ চিলাপথাৰত আজি মিছিং জনগোষ্ঠীৰ ৩টা জাতীয় সংগঠন ক্ৰমে টি এম পি কে, এম এম কে, আৰু টি এম এম কে ছহিদ দিৱস পালন কৰে। ১৯৯৫ চনৰ ২১ এপ্ৰিলত গোগামুখৰ বিলমুখত মিছিং জনগোষ্ঠীৰ প্ৰাপ্য অধিকাৰৰ দাবীত কৰা আন্দোলনৰ সময়ত আৰক্ষীৰ গুলীত মৃত্যু হোৱা জনগোষ্ঠীটোৰ ৩ গৰাকী আন্দোলনকাৰী বগা মেদক, নৰেশ টাইদ আৰু অঞ্জনা পেগুৰ সোঁৱৰণত জনগোষ্ঠীটোৰ ৰাইজে আজি ছহিদ দিৱস পালন কৰিছে। জিলাখনৰ চিলাপথাৰত আজি টাকাম মিছিং পৰিন কিবাং চিলাপথাৰ জিলা সমিতিৰ উদ্যোগত আৰু মিছিং মিমাগ কেবাঙৰ চিলাপথাৰ জিলা সমিতিয়ে ১২ খন আঞ্চলিক সমিতিৰ সহযোগত ছহিদৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি এখন কৰ্মীসভা অনুষ্ঠিত হয়। এই সন্দৰ্ভত টি এম পি কেৰ সম্পাদক চান পাংগিঙে এইদৰে কয়।

**ৰাইট (চান পাংগিং)**

00000

অসম অৰ্কিড ছোচাইটিৰ উদ্যোগত আৰু চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয় তথা তিনিচুকীয়া মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ সহযোগত আজি চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয়ত অষ্টম বাৰ্ষিক অৰ্কিড সন্মিলন অনুষ্ঠিত

হয়। এই সন্মিলনৰ অংশ হিচাপে অৰ্কিড সংৰক্ষণ আৰু সজাগতা শীৰ্ষক কৰ্মশালা অনুষ্ঠিত হয়। তদুপৰি অৰ্কিড ছোছাইটিৰ স্মাৰক অৰণ্যকেৰুৰ দ্বিতীয় খণ্ড তথা হিমালয়ান জাৰ্নেল অৱ বেচিক এণ্ড এপ্লাইড চায়েন্সছ তথা ই ফ্লোৰা অৱ অসমৰ দুখন জাৰ্নেল উন্মোচন কৰা হয়। ইয়াৰ লগতে অৰ্কিড প্ৰদৰ্শনী আৰু মনোৰম সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হয়। এই অনুষ্ঠানত বহু গৱেষক, শিক্ষক, শিক্ষাৰ্থী তথা প্ৰকৃতিপ্ৰেমীসকলেও অংশগ্ৰহণ কৰে।

ooooo

শিৱসাগৰ জিলাত পশুপালন আৰু পশু চিকিৎসা বিভাগৰ উদ্যোগত আজিৰে পৰা পশুধনৰ বাবে সপ্তম ছৰকা ৰোগ নিয়ন্ত্ৰণ কাৰ্যসূচী অনুষ্ঠিত হৈছে। চলিত বছৰত জিলাখনৰ এক ৮০ হাজাৰ পশুধনক সামৰি এই কাৰ্যসূচী লোৱা হৈছে। এইবাৰ প্ৰতিষেধক প্ৰদানৰ লগে লগে ভাৰত পশুধন এপত প্ৰতিষেধকৰ তথ্য আপলোড কৰিব লাগিব। পশুধন পঞ্জীয়নৰ ক্ষেত্ৰত গৰাকীৰ আধাৰকাৰ্ডৰ তথ্য দিয়াটো বাধ্যতামূলক কৰা হৈছে।

ooooo

ব্ৰহ্মপুত্ৰৰ বুকুত যোৱা ৫ দিন ধৰি সন্ধানহীন হৈ থকা মাজুলীৰ বৰটানি গাঁৱৰ যুৱক মাধৱ শৰ্মাৰ আজি মৃতদেহ উদ্ধাৰ হয়। ৫ দিন পূৰ্বে কমলাবাৰীৰ পৰা নিমাতী অভিমুখে গৈ থকা এছ বি প্ৰীতিষ নামৰ ফেৰিখনৰ পৰা যুৱকজন সন্ধানহীন হৈছিল। ভকত চাপৰি আৰু মছুৰা চাপৰিৰ মাজৰ এটা সুঁতিত স্থানীয় গোপালকে আজি পুৱা এটা মৃতদেহ উপঙি থকা প্ৰত্যক্ষ কৰি প্ৰশাসনক খবৰ দিয়ে। এছ ডি আৰ এফ বাহিনীয়ে মৃতদেহটো উদ্ধাৰ কৰি যুৱকজনক চিনাক্ত কৰে।

ooooo

ৰাজ্যত আজি পুৱাৰ ভাগত মৃদু ভূমিকম্পৰ জোঁকাৰণি অনুভূত হয়। পুৱা পাঁচ বাজি ৫৯ মিনিটত অনুভূত হোৱা ভূমিকম্পৰ ৰিখটাৰ স্কেলত প্ৰাবল্য আছিল ৫ দশমিক ২ । মণিপুৰৰ কামজং এই ভূমিকম্পৰ অভিকেন্দ্ৰ বুলি জানিব পৰা গৈছে। অৱশ্যে বৰ্তমানলৈকে ক্ষয়-ক্ষতিৰ তথ্য জানিব পৰা হোৱা নাই।

ooooo

গোলাঘাট জিলাৰ সৰুপথাৰত নগাজৰি দ'চুক গাঁৱৰ নিশামণি বৰাই যোৱা ১৩ ৰ পৰা ১৭ এপ্ৰিললৈ গোৱাত অনুষ্ঠিত ৰাষ্ট্ৰীয় চেইলিং প্ৰতিযোগিতাত ৰূপৰ পদক অৰ্জন কৰে। নিশামণি বৰাই উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমগৰাকী মহিলা চেইলৰ হিচাপে স্বীকৃতি লাভ কৰিছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ, দেলহি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত অনুষ্ঠিত হ'ব।

ooooo

সমাপ্ত